৩ পৃষ্ঠাত ৪ পৃষ্ঠাত

# অসম আদিত্য

ঘোণ, ১৯৪৭ শক ■ শুকুৰবাৰ, ৫ ডিচেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, December 5, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা



## কানৈ মহাবিদ্যালয়ত প্ৰসাধন-বিনোদন কক্ষ মুকলি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৪ ডিচেম্বৰ ঃ** আমি অকলে বহুত কম কাম কৰিব পাৰোঁ। কিন্তু একেলগে আমি বহুতো কাম কৰিব পাৰোঁ। একেলগে সহযোগিতাৰে কাম কৰি গ'লে বহু আগুৱাই যাব পাৰি। ৮০ বছৰ গৰকা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত ছাত্ৰী জিৰণি কোঠাৰ স'তে সংলগ্ন আধুনিক সা-সুবিধা সম্পন্ন প্ৰসাধন-বিনোদন কক্ষ উদ্বোধন কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত উদ্বোধনী সভাখনত অধ্যক্ষগৰাকীয়ে কয়— পৰিস্কাৰ-পৰিচ্ছন্নতা, স্বচ্ছতা কেৱল মানুহৰ অভ্যাস হোৱা উচিত নহয়, ই আত্ম সন্মানৰ প্ৰতীক। তেওঁ কয়— কোনোবা শিক্ষাৰ্থীয়ে সোণৰ পদক বা বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ শিক্ষাৰ্থী হৈ উত্তীৰ্ণ হ'লেও যদিহে তেওঁ পৰিস্কাৰ-পৰিচ্ছন্ন হৈ থাকিব নাজানে, তেন্তে তেওঁৰ শিক্ষা সম্পূৰ্ণ নহয়। তেওঁ পৰিস্কাৰ-পৰিচ্ছন্নতা ঈশ্বৰৰ সেৱাৰ অন্য নাম বুলি উল্লেখ কৰি কয়— মহাবিদ্যালয়খনৰ প্ৰতিজন শিক্ষাৰ্থীয়ে যাতে সুস্থ আৰু নিকা পৰিৱেশ লাভ কৰিব পাৰে তাৰ বাবে চেষ্টা কৰি থকা হৈছে। ইয়াৰ অংশ হিচাপে আধুনিক সুবিধা সম্পন্ন প্ৰসাধন কক্ষটো পুনৰ নিৰ্মাণ কৰা হৈছে। লগতে তেওঁ কয়— অকল পঢ়া-শুনাৰ মাজত ব্যস্ত থাকিলে মগজুৱে জিৰণি নাপায়। মগজুৰ বাবে জিৰণিৰ অতি প্ৰয়োজন। নতুনকৈ পুনৰ নিৰ্মাণ কৰা বিনোদন কক্ষটোত ছাত্ৰীসকলে মুক্ত চিন্তা, বান্ধৱীৰে ভাব বিনিময় আৰু মানসিক জিৰণিৰ স্থান হ'ব বুলিও তেওঁ কয়। ই এক বিনোদন কক্ষ নহৈ এগৰাকীৰ পৰা আন এগৰাকীয়ে শিকিবলৈ, বুজিবলৈ আৰু সৃষ্টিশীল আলোচনাত লিপ্ত হ'বলৈ সুযোগ পাব বুলিও কয়। কানৈ মহাবিদ্যালয় কৰ্তৃপক্ষই সকলো শিক্ষাৰ্থীক সৰ্বাংগীন বিকাশত গুৰুত্ব দি আহিছে বুলি উল্লেখ কৰি তেওঁ কয়— নতুনকৈ মেৰামতি কৰি উলিওৱা প্ৰসাধন আৰু বিনোদন কক্ষ দুটা সকলো ছাত্ৰীকে সৎ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। এখন শিক্ষানুষ্ঠান কেৱল শ্ৰেণীকোঠা বা কিতাপৰ মাজতে আৱদ্ধ নাথাকে বুলি উল্লেখ কৰি ছাত্ৰীসকলৰ সুবিধা স্বাস্থ্য আৰু মানসিক প্ৰশান্তিৰ বাবে উচিত আন্তঃগাঁথনি গঢ়ি তোলাতো অন্যতম দায়িত্ব বুলি মন্তব্য কৰি তেওঁ মহাবিদ্যালয়খনক নিকা, সুস্থ আৰু জ্ঞানৰ মন্দিৰ হিচাপে গঢ়ি তুলিবলৈও আহ্বান জনায়। উদ্বোধনী সভাত প্ৰসাধন-বিনোদন কক্ষ নিৰ্মাণৰ ক্ষেত্ৰত সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই সহযোগিতা আগবঢ়োৱাৰ বাবেই এনে এক সুন্দৰ প্ৰকল্প সম্পূৰ্ণ হৈ উঠিল বুলি অধ্যক্ষগৰাকীয়ে কয়। ধূপ-ধুনা জ্বলাই সম্পূৰ্ণ মাংগলিকভাৱে উদ্বোধন কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, পৰিচালনা সমিতিৰ সদস্য ড° মধুমিতা পুৰকায়স্থই ছাত্ৰীসকলক উদ্দেশি্য সাৰুলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ছাত্ৰী জিৰণি কোঠাৰ প্ৰাক্তন সম্পাদিকা ভাৰ্চী গগৈ, বৰ্তমানৰ সম্পাদিকা ৰমিজা বেগম, সাধাৰণ সম্পাদক বেদব্যাস বড়ি, ডিব্ৰুগড় বিশ্ববিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, কানৈ বাণিজ্য মহাবিদ্যালয়, এন এল বি চিটি মহাবিদ্যালয়, ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, লেজাইৰ জ্যেষ্ঠ নাগৰিক ভদ্ৰেশ্বৰ গগৈ, আনন্দ কলিতাও উপস্থিত থাকে।

## দুই স্কুটী আৰোহী আহত

**প্ৰতিবেদক, খোৱাং, ৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং আৰক্ষী থানাৰ সমীপৰ চমুৱা গাঁৱত আজি সন্ধিয়া সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুই স্কুটী আৰোহী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাত পতিত হোৱা লোক দুজন ক্ৰমে খোৱাং চমুৱা গাঁৱৰ কণক গগৈ (৫৬) আৰু বেতনী মাজ গাঁৱৰ দুলু দুৱৰা (৫১) বুলি জানিব পৰা গৈছে। প্ৰাপ্তখবৰ অনুসৰি দুয়ো নৱনিৰ্মিত দিহিং মথাউৰিৰ পকী পথেৰে খোৱাং চমুৱা গাঁৱৰ পৰা বেতনী চাৰিআলিৰ অভিমুখে গৈ আছিল। স্থানীয় পথচাৰীয়ে দুয়োকে পথৰ দুই কাষে অচেতন অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে আৰু ততাতৈয়াকৈ দুয়োকে প্ৰথমে খোৱাং প্ৰাথমিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও অতি সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ স্থানান্তৰ কৰা হয়। বৰ্তমান দুয়োৰে অৱস্থা সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে।

নিহত মহিলাৰ ন্যায়ৰ দ

## অভিশপ্ত অট্টালিকা চি

**ডিব্ৰুগড়, ৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড় মহানগৰৰ লোহাৰপট্টিৰ এটা অভিশপ্ত নিৰ্মীয়মাণ অট্টালিকাৰ প্ৰতি ইমান দৰদ কাৰ? অবৈধভাৱে নিৰ্মাণ কৰা অট্টালিকাটোৰ দেৱাল খহি যোৱাৰ ফলত প্ৰাণহানি হোৱা চালমা বেগম নামৰ মহিলাগৰাকীৰ ন্যায়ৰ দাবীৰে আজি ৰাজপথত প্ৰতিবাদী কাৰ্যসূচী হাতত ল'লে সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজে। প্ৰতিবাদস্থলীৰ পৰাই সমগ্ৰ বিষয়টোৰ তদন্ত প্ৰক্ৰিয়া




জনজাতিকৰণৰ বিৰোধিতাৰে ডিব্ৰু

ৰমাণু শক্তিধৰ জলযান দি

## ৰ ৰাষ্ট্ৰপতিৰ উপ ২ বিলিয়ন ডলাৰ

নতুন দিল্লী, ৪ ডিচেম্বৰ পদাৰ্পণৰ পূৰ্বেই নতুন দি সম্পাদিত কৰিলে ২ বিলি দশকজোৰা মন্থনৰ অন্ত



## মোদী নৱজাগ

নতুন দিল্লী, ৪ ডিচেম্বৰ ঃ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ নৰেন্দ্ৰ মোদী উত্তৰ-পূৰ্ব উত্তৰ-পূৰ্বাঞ্চলে এতিয়া

ল্যাণ মাৰ্গত ভোজমেল ঃ ৰুদ্ধদ্বাৰ

## া মিত্ৰতাৰ পৰীক্ষা ধানক আদৰি নৰে